**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::**

## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত প্ৰধানমন্ত্ৰী স্ব-নিধি আঁচনিৰ হিতাধিকাৰীসকলক সম্বোধন কৰিব ।

২। ভূটানৰ প্ৰধানমন্ত্ৰী দেশ্বো শ্বেৰিং টবগে আজি পাঁচদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব।

৩। ভাৰতীয় জনতা পাৰ্টীয়ে লোকসভা নিৰ্বাচনৰ বাবে ৭২ গৰাকী প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰিছে।

৪। আজি বিশ্ব বৃক্ক দিৱস। ***আৰু***

৫। ভাৰতৰ অশ্বিনী পোনাপ্পা আৰু তনিশা ক্ৰাষ্টোৰ যুটিটো অল ইংলেণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা ডাবলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত প্ৰধানমন্ত্ৰী স্ব-নিধি আঁচনিৰ হিতাধিকাৰীসকলক সম্বোধন কৰিব । এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে দিল্লীৰ ৫ হাজাৰ ব্যৱসায়ীসহ পদপথৰ ১ লাখ ব্যৱসায়ীৰ মাজত ঋণ বিতৰণ কৰিব। শ্ৰীমোদীয়ে লগতে দিল্লী মেট্ৰ'ৰ চতুৰ্থ পৰ্যায়ৰ দুটা অতিৰিক্ত ক'ৰিডৰৰ আধাৰশিলা স্থাপন কৰিব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি প্ৰধানমন্ত্ৰী সামাজিক উত্থান আৰু ৰোজগাৰ আধাৰিত জনকল্যাণ-পি এম সুৰজ ৰাষ্ট্ৰীয় প'ৰ্টেল মুকলি কৰে আৰু বঞ্চিত সম্প্ৰদায়ৰ এক লাখ উদ্যমীলৈ ঋণ সাহায্যত অনুমোদন জনায়। তেওঁ লগতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অনুসূচীত জাতি, পিছপৰা শ্ৰেণী আৰু অনাময় কৰ্মীসহ বিভিন্ন চৰকাৰী আঁচনিৰ উপান্ত শ্ৰেণীৰ হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত সমগ্ৰ দেশৰ ৪৭০ খনৰো অধিক জিলাৰ প্ৰায় ৩ লাখ হিতাধিকাৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে, সামজৰ পিছপৰা শ্ৰেণীৰ উন্নয়ন অবিহনে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্য পূৰণ অসম্ভৱ। শ্ৰীমোদীয়ে কয় যে, তেওঁ পূৰ্বৰ মানসিকতা ভংগ কৰিবলৈ সমৰ্থ হৈছে আৰু দলিত,নিপীড়িত আৰু জনজাতীয় লোকসকলৰ বাবে গেছৰ সংযোগ , বেংক একাউণ্ট আৰু শৌচালয়ৰ দৰে সুবিধা প্ৰদান কৰিব পাৰিছে। পিছপৰা শ্ৰেণীৰ উন্নয়ন আৰু সন্মানৰ অভিযান পৰৱৰ্তী ৫টা বছৰত ত্বৰান্বিত হ'ব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

oooooo

ভূটানৰ প্ৰধানমন্ত্ৰী দেশ্বো শ্বেৰিং টবগে আজি পাঁচদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব। বিগত জানুৱাৰীত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত চুবুৰীয়া দেশখনৰ প্ৰধানমন্ত্ৰীগৰাকীৰ এয়া হ'ব প্ৰথমটো বিদেশ ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে, এই ভ্ৰমণকালত ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰিব।

ভাৰত ভ্ৰমণৰ এই সময়ছোৱাত মুম্বাইলৈকে যাবলগীয়া ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীক দেশখনৰ বিদেশ দপ্তৰ আৰু বৈদেশিক বাণিজ্য, শক্তি আৰু প্ৰাকৃতিক সম্পদ, উদ্যোগ-বাণিজ্য আৰু নিয়োগকে ধৰি ভিন ভিন দপ্তৰৰ মন্ত্ৰীসকলৰ লগতে ভূটান চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই সংগ দিব।

০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে কালি সমাগত লোকসভা নিৰ্বাচনৰ বাবে ৭২ গৰাকী প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰে। সেই অনুসৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে হিমাচল প্ৰদেশৰ হামিৰপুৰ লোকসভা আসনখনৰ পৰা প্ৰতিদ্বন্দিতা কৰিব। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে নাগপুৰ আৰু মন্ত্ৰী পিয়ুছ গোৱেলে উত্তৰ মুম্বাই আৰু ডাঃ ভাৰতী প্ৰবীণ পাৱাৰে মহাৰাষ্ট্ৰৰ দিন্দোৰী লোকসভা আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশী ধাৰৱাড় লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। একেদৰে হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ লাল খাট্টাৰে কৰ্ণাল, কেন্দ্ৰীয় মন্ত্ৰী কৃষণ পাল গুৰ্জৰে ফৰিদাবাদ আৰু কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বাসৱৰাজ বুম্মাইয়ে হাভেৰী আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব।

দলটোৱে দিল্লীৰ বাকী থকা আসন দুখনৰ বাবে প্ৰাৰ্থীৰ নাম প্ৰকাশ কৰিছে। তালিকা অনুসৰি পূব দিল্লীত হৰ্ষ মলহোত্ৰাক আৰু উত্তৰ পশ্চিম দিল্লীত যোগেন্দ্ৰ চাণ্ডোলিয়াক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে। তালিকাত মহাৰাষ্ট্ৰৰ আৰু কৰ্ণাটকৰ ২০ খনকৈ, হাৰিয়ানা আৰু তেলেংগানাৰ ৬ খনকৈ, গুজৰাটৰ ৭খন, মধ্য প্ৰদেশৰ ৫ খন, দিল্লী,হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ দুখনকৈ আৰু ত্ৰিপুৰা আৰু দাদ্ৰা আৰু নগৰ হাভেলীৰ একোখনকৈ আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীৰ নাম সন্নিৱিষ্ট কৰা হৈছে।

দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ অধ্যক্ষতাত অনুষ্ঠিত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীৰ এখন বৈঠকত প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰা হয়।

ইপিনে, বিজেপিয়ে অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ বাবে ৬০ জনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে মুক্ত' সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে উপ-মুখ্যমন্ত্ৰী চাওনা মেইনে ছাওখাম আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। বিধানসভাৰ অধ্যক্ষ পাছান দৰ্জী চ'নাই মেচুকা আসনৰ পৰা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী নিনং এৰিঙে পাছিঘাট পশ্চিম সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে বৰ্তমানৰ অৰুণাচল চৰকাৰৰ কাৰ্যকাল অহা ২ জুনত উকলি যাব। ইয়াৰ পৰিপ্ৰেক্ষিতত লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ ৰাজ্যখনত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

আজি বিশ্ব বৃক্ক দিৱস। বৃক্কৰ স্বাস্থ্য আৰু অংগটোৰ স্বাভাৱিক কাম-কাজ প্ৰভাৱিত কৰিব পৰা বিভিন্ন ৰোগৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিবছৰে মাৰ্চৰ দ্বিতীয় বৃহস্পতিবাৰে এই দিৱস পালন কৰা হয়। এইবেলি এই দিৱসৰ মূল বিষয় হৈছে- কিডনী হেলথ ফ'ৰ অল অৰ্থাৎ সকলোৰে বাবে বৃক্কৰ স্বাস্থ্য। ইয়াৰ জৰিয়তে গুৰুতৰ বৃক্ক ৰোগৰ বৰ্ধিত আশংকা আৰু বিভিন্ন পৰ্যায়ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বাবে বৃক্কৰ সৰ্বোতকৃষ্ট যতনত গুৰুত্ব আৰোপ কৰা হৈছে। বৃক্ক শৰীৰৰ এটা গুৰুত্বপূৰ্ণ অংগ আৰু ই বিষাক্ত পদাৰ্থসমূহ শৰীৰৰ পৰা বাহিৰলৈ উলিয়াই দি শৰীৰটোক সুস্থ-সবল কৰি ৰখাত সহায় কৰে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত নতুন দিল্লীৰ অখিল ভাৰত আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ বৃক্কৰোগ বিভাগৰ মুৰব্বী ডাঃ দীপাংকৰ ভৌমিকে কয় যে, বৃক্কৰোগৰ লক্ষণসমূহৰ ভিতৰত ভৰি ফুলা, উচ্চ ৰক্তচাপ, শৰীৰত হিম'গ্লবিনৰ মাত্ৰা কম হোৱা আৰু হাড় দুৰ্বল হোৱা অন্যতম। তেওঁ লগতে প্ৰাৰম্ভিক অৱস্থাতে বৃক্কৰ ৰোগ ধৰা পেলোৱাৰ বাবে নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰাৰ বাবে জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। বৃক্কৰ ৰোগ প্ৰতিৰোধৰ বাবে নিয়মীয়াভাৱে শাৰিৰীক ব্যয়াম, সুষম আহাৰ, ওজন নিয়ন্ত্ৰণত ৰখা আৰু খাদ্যত নিমখৰ পৰিমাণ সীমিত কৰিবলৈও তেওঁ পৰামৰ্শ দিয়ে।

০০০০০০

ভাৰত-ইটালী সামৰিক সহযোগিতা গোটৰ দ্বাদশ সংস্কৰণৰ বৈঠকৰ কালি নতুন দিল্লীত সামৰণি পৰে। এই দুদিনীয়া বৈঠকত উভয় পক্ষই দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা সহযোগিতা তথা সামৰিক পৰ্যায়ৰ আদান-প্ৰদান আৰু অধিক বৃদ্ধিৰ বাবে গ্ৰহণ কৰিব পৰা নতুন পদক্ষেপৰ বিষয়ে আলোচনা কৰে। বৈঠকত আন্তঃৰাষ্ট্ৰীয় প্ৰতিৰক্ষা সহযোগিতা সঞ্চালকালয় আৰু ইটালীৰ সামৰিক নীতি আৰু পৰিকল্পনা বিভাগ মুখ্য কাৰ্য্যালয়ৰ প্ৰতিনিধিয়ে অংশ লয়।

বিগত বৰ্ষৰ মাৰ্চত ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নীৰ ভাৰত ভ্ৰমণৰ সময়ত উভয় দেশে তেওঁলোকৰ দ্বিপাক্ষিক সম্পৰ্কক কৌশলগত সহযোগিতাৰ পৰ্য্যালয়লৈ উন্নীত কৰিছিল। তাৰপাছত বিগত অক্টোবৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ ইটালী ভ্ৰমণৰ সময়তো প্ৰতিৰক্ষা সহযোগিতাৰ বুজাবুজি চুক্তিৰ নবীকৰণ কৰা হৈছিল।

০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰ্যালয়ে উত্তৰ পূৰ্বাঞ্চলত ৰাষ্ট্ৰীয় প্ৰৱেশ তথা যোগ্যতা নিৰূপণ পৰীক্ষা-মাষ্টাৰ অৱ ডেণ্টেল ছাৰ্জাৰী, নীট এমডিএছৰ পৰীক্ষা কেন্দ্ৰ নাই বুলি একাংশ সংবাদ মাধ্যমযোগে প্ৰকাশিত বাতৰি ভুৱা বুলি অভিহিত কৰিছে। মন্ত্ৰ্যালয়ে উত্তৰ পূৰ্বাঞ্চলৰ গুৱাহাটী, শ্বিলং, নাহৰলগুণ, কোহিমা, আইজল আৰু পশ্চিম বংগৰ কলকাতাত এই পৰীক্ষাৰ কেন্দ্ৰ থকা বুলি প্ৰকাশ কৰিছে।

০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

০০০০০০

ভাৰতৰ অশ্বিনী পোনাপ্পা আৰু তনিশা ক্ৰাষ্টোৰ যুটিটো অল ইংলেণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা ডাবলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অশ্বিনী আৰু তনিশাৰ যুটিটোৱে কালি প্ৰতিযোগিতাৰ এখন খেলত হংকঙৰ য়ুং নগা টিং আৰু য়ুং পুল লেমৰ যুটিটোক ২১-১৩,২১-১৮ পোনপটীয়া গেমত পৰাস্ত কৰে। আনহাতে, ভাৰতৰ আন এগৰাকী খেলুৱৈ প্ৰিয়াংশু ৰাজাৱটে প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ এখন খেলত ইণ্ডোনেছিয়াৰ চিকো অ'ৰা ডৰি ৱাৰ্ডোয়োক ১৯-২১,২১-১১, ৯-২১ গেমত পৰাভূত কৰে। সতীৰ্থ খেলুৱৈ লক্ষ্য সেনেও পুৰুষৰ ছিংগলছৰ আন এখন খেলত ডেনমাৰ্কৰ মেগনাছ জোহান্সনক ২১-১৪,২১-১৪ গেমত পৰাভূত কৰে। এই জয়েৰে লক্ষ্য সেনে প্ৰতিযোগিতাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০

ডেলহি কেপিটেলছে যোৱা নিশা নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। ডেলহি কেপিটেলছে ১২৭ ৰানৰ বিজয়

লক্ষ্যৰে খেল আৰম্ভ কৰি ১৩ অ'ভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই ১২৯ ৰান কৰে।ইয়াৰ পূৰ্বে গুজৰাট জায়েণ্টছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৯ উইকেটৰ বিনিময়ত ১২৬ ৰান সংগ্ৰহ কৰে।

ডেলহি কেপিটেলছ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে আৰু ইয়াৰ সুবাদত দলটোৱে পোনে পোনে ফাইনেলত প্ৰৱেশ কৰিছে। শুকুৰবাৰে হ'বলগীয়া প্লে অফ খেলখনত যোৱা বাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰৰ সন্মুখীন হ'ব। খেলখনৰ বিজয়ী দলটো দেওবাৰে হ'বলগীয়া ফাইনেলত ডেলহি কেপিটেলছৰ মুখামুখি হ'ব।

oooooo

ঃসমাপ্তঃ